# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-02-2026 **Time :** 0755 Hrs.

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দ্ৰুত নিষ্পত্তিৰ বাবে ফাষ্টট্ৰেক আদালত গঠনত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন দিছে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰটো ক্ষিপ্ৰ গতিত মিমাংসাৰ দিশে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ফাষ্টট্ৰেক আদালত গঠনৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অনুৰোধ জনোৱাৰ সিদ্ধান্ত লোৱা হৈছে। এই বিশেষ আদালতৰ বাবে ন্যায়ালয়ে এজন ন্যায়াধীশ নিযুক্তি দিয়াৰ লগতে নীতি-নিয়ম প্ৰস্তুত কৰি বাকী ব্যৱস্থাসমূহ গ্ৰহণ কৰিব বুলি তেওঁ উল্লেখ কৰে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সা-সুবিধাসমূহ প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

***(বাইট ঃ ডঃ শৰ্মা)***

মন্ত্ৰীসভাৰ বৈঠকত চাহ শ্ৰমিকৰ দৈনিক মজুৰী অন্তৰৰ্তীকালীনভাৱে অহা এক এপ্ৰিলৰ পৰা ৩০ টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হয়। সেই অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ শ্ৰমিকে ২৮০ টকাকৈ আৰু বৰাকৰ চাহ শ্ৰমিকে ২৫৮ টকাকৈ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ছমাহৰ পাছত নতুন শ্ৰম আইন বলৱৎ হ'লে চাহ শ্ৰমিকৰ মজুৰী ৩০০ টকাতকৈ অধিক হ'ব। বৈঠকত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ঠিকাভিত্তিক কাম কৰি থকা ৪৫ বছৰ উৰ্ধৰ চাকৰিয়ালৰ কাৰ্যকাল ৬০ বছৰলৈ বৃদ্ধিত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই লগতে ৰাজ্য চৰকাৰৰ পুঁজিৰ পৰা ৩৩ হাজাৰ ৬৫৬ গৰাকী আশাকৰ্মী আৰু দুহেজাৰ ৫৭০ গৰাকী আশা চুপাৰভাইজাৰক একোখনকৈ স্কুটী প্ৰদানৰো সিদ্ধান্ত লয়। তদুপৰি অহা ১০ মাৰ্চত ৩৯ লাখ ৭০ হাজাৰ অৰুণোদয় হিতাধিকাৰীক ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। গুৱাহাটীত এই অনুষ্ঠানৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে পঞ্চায়ত আৰু গাঁও অঞ্চলত সভা অনুষ্ঠিত কৰি হিতাধিকাৰীসকলৰ মাজত ধন বিতৰণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ ৩২ হাজাৰ লোকৰ মাজত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমিপট্টা বিতৰণ কৰিব। এই উপলক্ষে জিলাখনৰ দেউৰীবিলত আয়োজিত অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকিব। খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু প্ৰতিষ্ঠাসমূহৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যৰে চৰকাৰে সমষ্টিভিত্তিত ভূমিপট্টা বিতৰণৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই এই অনুষ্ঠানৰ সৈতে ধেমাজিত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০০০০

গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ উদ্যোগত যোৱা ১০ ফেব্ৰুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈ হাৰিয়ানাৰ গুৰুগ্ৰামত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ চৰচ মেলাত অসমক প্ৰতিনিধিত্ব কৰা ASRLM ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন

খণ্ডৰ অন্তৰ্গত ৰামধেনু আত্মসহায়ক গোটৰ সদস্য সকলে সমগ্ৰ দেশৰ অংশগ্ৰহণকাৰী ৰাজ্যৰ ভিতৰত সামগ্ৰীক খাদ্য শ্ৰেণীৰ শ্ৰেষ্ঠ খাদ্য বিপণীৰ সন্মান লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। সংৰক্ষণ, সুন্দৰ উপস্থাপন আৰু প্ৰৰ্দশন, পৰিস্কাৰ-পৰিচ্ছন্নতা, খাদ্য সুৰক্ষা আৰু উৎকৃষ্টতাৰ স্বীকৃতি স্বৰূপে তেওঁলোকে এই সন্মান লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে এই বঁটা লাভ কৰাৰ বাবে ৰামধেনু আত্মসহায়ক গোটৰ সকলোলৈকে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্য্যালয়ত কালি সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি আৰু অন্যান্য দিশ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰীৰ সভাপতিত্ব অনুষ্ঠিত এই বৈঠকত জিলা খনৰ সকলো বিভাগৰ মুৰব্বী বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

নুমলীগড় শোধনাগাৰ লিমিটেডৰ কৰ্পোৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত গাঁঠনিগত দক্ষতা বিকাশ পদক্ষেপৰ প্ৰথমটো প্ৰকল্প কালি মাজুলীত সফলতাৰে সমাপ্ত হয়। ২০২৫ চনৰ ছেপ্তেম্বৰৰ পৰা ২০২৬ চনৰ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত এই ছমহীয়া আবাসীক প্ৰশিক্ষণ কাৰ্যসূচীত ৰাজ্যখনৰ ৬০ জনৰো অধিক প্ৰশিক্ষাৰ্থীক গেছ প্লাম্বিঙৰ ব্যৱহাৰিক দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰচেষ্টাই প্ৰশিক্ষাৰ্থীসকলক মহানগৰৰ গেছ বিতৰণ খণ্ডত নিয়োজিত হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

শিলচৰৰ বিশিষ্ট ক্ৰীড়া সাংবাদিক সঞ্জয় ৰায়ৰ কালি নিশা শিলচৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৬ বছৰ।

০০০০০০০